**ভাৰতবৰ্ষৰ ৰাস্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে গান্দ্বীবাদী দৃস্টিভঙ্গী (Gandhian Approach to the Study of Indian State):**

গান্দ্বীবাদ হ'ল কিছুমন ধাৰনা বা আদৰ্শ যিবোৰে নেকি গান্দ্বীজীৰ চিন্তাধাৰা, আবেগ আৰু অনুভুতিৰ লগত জৰিত। গান্দ্বীবাদ সম্পুৰ্ণ আহিংসা নীতিৰ ওপৰত প্ৰতিস্ঠিত। গান্দ্বীবাদৰ মুল তত্ব দুটা বিষয় বস্তৰ ওপৰত প্ৰতিস্ঠিত। তাৰে এটা হ'ল সত্য আৰু আনটো হ'ল আহিংসা। এক সুস্হ সমাজ ব্যৱস্হা গঢ়াৰ ক্ষেত্ৰত গান্দ্বীবাদে এক দিক ণিৰ্নয় বুলি পাৰি। তলত ভাৰতীয় ৰাস্ট্ৰ ব্যৱস্হা সম্পৰ্কে গান্দ্বীজীৰ দৃস্টিভঙ্গী আলোচনা কৰা হ'ল।

1. **ৰাস্ট্ৰ এটি প্ৰানহীন আনুস্ঠান: (State is a Soulless Institution):** গান্দ্বীজীৰ মতে পশ্চিমীয়া ৰাস্ট্ৰ ব্যৱস্হা সম্পুৰ্ণ শক্তি আৰু হিংসাৰ ওপৰত প্ৰতিস্ঠুত। এনেকুৱা ৰাস্ট্ৰ ব্যৱস্হাত ৰাস্ট্ৰৰ ক্ষমতা দমনমুলক আৰু দয়াহীন ভাবে প্ৰয়োগ কৰা হয়। তেওঁ কৈছিল "The individual has soul but state is a Soulless machine, the state can never be warned away from violence to which its owes its existence."।

2. **ৰাস্ট্ৰবিহীন আৰু শ্ৰেনীবিহীন সমাজ (Stateless and classless Society):** মাৰ্ক্সৰ দৰে ৰাস্ট্ৰ গান্ধীজীয়েও ৰাস্ট্ৰবিহীন আৰু শ্ৰেনীবিহীন সমাজ ব্যৱস্হাৰ কামনা কৰিছিল। গান্ধীজীৰ মতে ৰাস্ট্ৰ হল এটি প্ৰানহীন অনুষ্ঠান। সেইহে তেওঁ ৰাস্ট্ৰ থকাঠো কামনা কৰা নাছিলে। তেওঁ "In such state ; everyone is his own ruler . he rules himself in such a manner that he is never a hindrance to his neighbors." গান্ধীজীয়ে আকো মত পোষন কৰিছিল যে সমাজত কোনো দৰনৰ শ্ৰেনী থাকিব নালাগে। কিন্ত মাৰ্ক্সৰ দৰে শ্ৰেনী সংগ্ৰামৰ জুৰিয়তে তেওঁ সমাজৰ মৰা শ্ৰেনী নাইকিয়া কৰাৰ পোষকতা কৰা নাছিল। শ্ৰেনী বিহীন সমাজ প্ৰতিষ্ঠাৰ প্ৰথম পদক্ষেপ তেওঁ শ্ৰেনী সহযোগীতা (Class Collaboration ) ৰ কথা কৈছে।

3. **সত্যগ্ৰহ** : গান্ধীবাদৰ মুল ভিত্তি হ'ল সত্যগ্ৰহ। সত্যগ্ৰহৰ উদ্দেশ্য হ'ল আত্মসুদ্ধি। আত্মসুদ্ধিৰ অবিহান অন্যায়ৰ বিৰোদ্ধে যুঁজ দিয়া সম্ভৱ নহয়। আত্মসুদ্ধি আৰু অহিংহাৰ মাজত ওত:প্ৰোত সম্পৰ্ক আছে। অন্যায় আৰু উত্পিড়নৰ বিৰোদ্ধে সত্যগ্ৰহৰ এটি অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি। গান্ধীজীয়ে সত্যগ্ৰহক বাস্তবায়ীত কৰিবলৈ কিছুমান পদ্বতি অবলম্বন কৰিছিল। সেই পদ্বতি হ'ল- অ-সহাযোগ, আমৰন অনহন, ধৰ্মঘট, আইন অমান্য আৰু হিজৰত্।

4. **ৰাজনৈতিক ক্ষমতাৰ বিকেন্দ্ৰীকৰন (Decentralization of Political Power):** গান্দ্বীজীয়ে ভাৰতবৰ্ষত ক্ষমতাৰ বিকেন্দ্ৰীকৰনৰ ওপৰত গুৰত্ব প্ৰদান কৰিছিল। কিন্ত, তেওঁৰ মতে এই বিকেন্দ্ৰীকৰন প্ৰচলিত ব্যৱস্হাৰ বিপৰীতে গাওঁ সমুহক কেন্দ্ৰ কৰি আৰম্ব হোৱা উচিত। গান্দ্বীজীৰ মতে গাওঁ পন্এায়ত সমুহে জিলা আৰু জিলা সমুহে প্ৰদেশ আৰু প্ৰদেশ সমুহৰ প্ৰতিনিধি সকল লগ লাগি কেন্দ্ৰীয় প্ৰতিনিধি সকলক নিৰ্বচন কৰিব লাগে। গান্দ্বীজীয়ে প্ৰত্যক খন গাওঁক একো একোখন গনৰাজ্য বুলি অভিহিত কৰিছিল।

5. **অৰ্থনৈতিক বিকেন্দ্ৰীকৰন** **(Economic Decentralization) :** অৰ্থনৈতিক বিকেন্দ্ৰীকৰনৰ মাধ্যমেৰে গান্ধীজীয়ে ভাৰতবৰ্ষত বিশাল উদ্দোকৰনৰ পৰিবৰ্তে কুঠিৰ শিল্প প্ৰতিষ্ঠাৰ ওপৰত গুৰত্ব দিছিল। তেওঁৰ মতে প্ৰত্যক খন গাওঁ আত্ম নিৰ্ভৰশীল হোৱা প্ৰয়োজন। অৰ্থনৈতিক বিকেন্দ্ৰীকৰন ব্যৱস্হাত গান্ধীজীয়ে বিদেশী পন্য সামগ্ৰী বৰ্জন আৰু স্বদেশী সামগ্ৰী ব্যৱহাৰৰ প্ৰতি অধিক গুৰত্ব প্ৰদান কৰিছিল। সেইসে তেওঁ খাদী উদ্দোগ প্ৰতিষ্ঠা আৰু খাদী কাপোৰ ব্যৱহাৰ কৰিবৰ বাবে খাদী আন্দোলন (Khadi Movement) আৰম্ভ কৰিছিল। গান্ধীজীৰ মতে বিকেন্দ্ৰীকৰন উদ্দোগকৰনত কেৱল উদ্দোগপতি সকল লাভান্বিত নহয়, শ্ৰমিক সকলও ইয়াৰ দ্বাৰা উপকৃত হয়।

6. **অহিংসা ৰাস্ট্ৰ** **(Non-Violent State):** গান্ধীজীয়ে বিশ্বাস কৰিছিল শক্তি প্ৰয়োগ নকৰাকৈ ৰাস্ট্ৰ এখন তিস্ঠি থাকিব নোৱাৰে। কিন্ত, তেওঁৰ মতে ৰাস্ট্ৰই নাগৰিকৰ ওপৰত সীমিত শক্তি প্ৰয়োগ কৰিব লাগে। গান্ধীজীৰ মতে ৰাস্ট্ৰৰ নাগৰিক সকল অহিংসা নীতিৰ দ্বাৰা অনুপ্ৰানিত হব লাগে। অহিংসা নীতি অনুসৰনকাৰী কেতিয়াও আনক শাৰীৰিক আৰু মানসিক ভাবে আঘাত কৰিব নোৱাৰে। গান্ধীজীৰ মতে অহিংসা নীতি সাধাৰন নাগৰিক তথা ৰাস্ট্ৰীয় ক্ষমতা প্ৰয়োগ কৰা ব্যক্তি দয়োৰে কাৰণে ফলদায়ক।

7. **আৰক্ষীৰ ভুমিকা** **(Role of Police) :** ৰাস্ট্ৰ পুলিচৰ গুৰত্ব অশ্বিকাৰ কৰিব নোৱাৰি। এখন আদৰ্শ ৰাস্ট্ৰ সৃস্টি কৰাৰ ক্ষেএত পুলিচৰ ভুমিকা যথেস্ট। গান্ধীজীৰ মতে পুলিচ বিষয়া সকল অহিংসা নীতিৰ দ্বাৰা অনুপ্ৰানিত হব লাগে আৰু তেওঁ লোকে নিজকে গৰাকী বুলি নাভাবি জনসাধাৰনৰ সেৱক বুলিহে ভাৱিব লাগে। পুলিচ সকেল কম পৰিমানে শক্তি প্ৰয়োগ কৰিব লাগে। সমাজত সংঘটিত হোৱা অসামাজিক কাম বা বিবাদ সমুহ ৰাইজৰ সহযোগত নিস্পত্তি কৰাৰ প্ৰয়াস কৰিব লাগে।

8. **সামৰীক বাহিনীৰ ভুমিক** **(Role of Military ) :** আৰক্ষী বাহিনীৰ নিচিনা সামৰিক বাহিনীৰ নিয়োজিত ব্যক্তি সকলো ও আহিংসা নীতিত বিশ্বাসী হব লাগে। সামৰিক বাহিনীৰ লোক সকল স্বাভাৱিক আৰু উপদ্ৰব উভয় আৱস্হাতে সক্ৰিয় হৈ থাকিব লাগে। স্বাভাৱিক অৱস্হাত বিভিন্ন সম্প্ৰদায়ৰ মাজত যাতে কোনো বিবাদ সৃস্টিৰ পৰিবেশ নগঠে তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে। দেশ যদি বাহিৰা শক্তিৰ আক্ৰমনৰ সন্মুখিন হয় তেন্তে সেনা বাহিনীয়ে শত্ৰু ৰাস্ট্ৰৰ সৈন্য বাহিনীৰ লগত যুদ্বত মুখা মুখী নহৈ এওঁলোকক দেশৰ ভিতৰত প্ৰবেশ কৰিবলৈ দিব লাগে। ইয়াৰ ফলত অধিক প্ৰাণ নাশৰ সম্ভাৱনা কম হব। দেশৰ ভিতৰত শত্ৰু ৰাস্ট্ৰ সেনা বাহিনী প্ৰবেশ কৰাৰ পিচত এওঁলোকক কোনো ধৰনৰ সহযোগিতা কৰিব নালাগে।

9. **যঅপৰাধ, শাস্তি আৰু কাৰাগাৰ** **(Crime, Punishment and Jail):** গান্ধীজীয়ে যদিও অহিংসাৰ ওপবত ভিত্তি কৰি এখন বিশুদ্ব সমাজ ব্যৱস্হা প্ৰতিস্ঠা কৰিব বিচাৰিছিল তথাপি মানুহৰ স্বভাৱজনিত কাৰনত সমাজত অপৰাধ হোৱাটো স্বাভাবিক বুলি তেওঁ অনুধাবিত কৰিছিল। এনে পৰিপেক্ষিতত কৈছিল "Crime is a disease like any other and is product of prevalent social system" । সেইসে এনে পৰিস্হত তেওঁ কিছু

পৰিমানে শাস্তি ব্যৱস্হা থকাটো কামনা কৰিছিল। কিন্ত, এনে শাস্তি ব্যক্তিৰ জীৱনলৈ সংকট সৃষ্টি কৰিব নালাগে। গান্ধীজীয়ে কাৰাগাৰ সমুহক সংস্কাৰ কেন্দ্ৰলৈ ৰুপান্তৰ কৰিব বিচাৰিছিল। ইয়াত ব্যক্তিক সংস্কাৰ কৰিবলৈ শিক্ষা আৰু বিশেষ প্ৰশিক্ষন দিয়াৰ ব্যৱস্হা থাকিব লাগে।

10. **ন্যায়িক ব্যৱস্হা (Judicial system ):** ভাৰতবৰ্ষৰ প্ৰচলিত ন্যায়িক ব্যৱস্হাৰ প্ৰতি গান্ধীজী সন্তস্ট নাছিল। তেওঁ ভাৰতীয় ন্যায়িক ব্যৱস্হাৰ প্ৰতি খেদ প্ৰকাশ কৰি কৈছিল যে ভাৰতবৰ্ষত ন্যায়ধিশ আৰু অধিবক্তা সকলৰ বাবেহে সমাজত বিবাদৰ সৃস্টি হয়। তেওঁৰ মতে ভাৰতবৰ্ষৰ ন্যায়িক ব্যৱস্হা ব্যয় বহুল আৰু সেইসে দুখীয়া শ্ৰেনীৰ লোকে ইয়াত উচিত ন্যায় পোৱাটো আশা কৰিব নোৱাৰি। গান্ধীজীয়ে ভাৰতবৰ্ষৰ ন্যায়িক ব্যৱস্হাৰ দোষ বিলাক আঙুলিয়াই দি ইয়াৰ সংস্কাৰৰ প্ৰতি গুৰুত্ব আৰোপ কৰে। তেওঁৰ মতে ভাৰতবৰ্ষৰ ন্যায়িক ব্যৱস্হা বিকেন্দ্ৰকৰন হব লাগে আৰু ন্যায়ধিশ সকলে বিনা পৰিশ্ৰামিকেৰে ন্যায় বিচাৰ কৰিব লাগে।

11. **কৰ ব্যৱস্হা (Tax system ):** গান্ধীজীৰ মতে ব্যক্তিৰ ওপৰত ধাৰ্য্য কৰা কৰ মুদ্ৰাৰে পৰিশোধ নকৰি শাৰীৰিক পৰিশ্ৰামৰ জৰিয়তে পৰিশোধ কৰাৰ ব্যৱস্হা কৰিব লাগে। তেওঁ কৈছিল, “Pay in labor invigorates the nation, where people perform labor voluntarily for the service of society, exchange money of money becomes necessary. The labor collecting the taxes and keeping accounts is saved and the results are equally good.” ।

12. **ৰাস্ট্ৰৰ সাৰ্বভৌমত্ব ক্ষমতা**: গান্ধীজীয়ে ৰাস্ট্ৰৰ চৰম ক্ষমতাৰ বিৰোধিতা কৰিছিল। তেওঁ জন সাৰ্বভৌমত্বৰ অধিক বিশ্বাস কৰিছিল। গান্ধীজীয়ে বিশ্বাস কৰিছিল যে ৰাস্ট্ৰৰ প্ৰতি জনসাধাৰনৰ সীমিত অনুগত্য থাকিব লাগে আৰু এইখিনি সম্পৰ্ণ সাংবিধানিক হব লাগে। সাংবিধানিক ব্যৱস্হাই ৰাস্ট্ৰৰ চৰম ক্ষমতাক বাধা প্ৰদান কৰে।

13. **ৰাস্ট্ৰ লক্ষ্য নহয় (State is not an End):** গান্ধীজীৰ মতে ৰাস্ট্ৰ লক্ষ্য নহয় ই জনসাধাৰনৰ কল্যাণৰ এক মাধ্যমহে। ৰাস্ট্ৰৰ উদ্দেশ্য সম্পৰ্কে গান্ধীজী মত পোষন কৰি কয় যে “It is mean enabling people to better their condition in every department of life.”। ৰাস্ট্ৰ ব্যবস্হা হ’ল এটি উপায় যাৰ মাধ্যমেৰে অধিক মানুহৰ বাবে অধিক কল্যাণ কৰিব পাৰি।

14. **কল্যাণকামী ৰাস্ট্ৰ (Welfare State) :** গান্ধীজীয়ে তেওঁৰ কল্যাণকামী (সৰ্বোদয়) ৰাস্ট্ৰ ৰাম ৰাজ্যৰ লগত তুলনা কৰিছে। সৰ্বোদয় মানে হ’ল সকলো ব্যক্তিৰ কল্যাণ সাধণ কৰা। গান্ধীজীয়ে তেওঁৰ সৰ্বোদয়ৰ ধাৰণাটো Ruskin য়ে লিখা “Unto the Last” ৰ পৰা সংগ্ৰহ কৰিছিল। সৰ্বোদয়ৰ ধাৰণা কিছুমান বিশেষ নীতিৰ ওপৰত প্ৰতিস্ঠিত আৰু সেইবোৰ হ’ল – ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধন, ন্যায় প্ৰতিস্ঠা কৰা, এখন মানৱীয় সমাজ ব্যৱস্হা প্ৰতিস্ঠা কৰা য’ত নেকি মৰম, চেনেহ, দয়া মমতা, নিয়মানুবৰ্তিতা বিৰাজমান আছে, যিকোনো ধৰনৰ শোষনৰ বিৰোধিতা কৰা, ধৰ্মীয় একতা আৰু সমতা প্ৰতিস্ঠা, জীৱন ধাৰনৰ মানদন্ড উন্নত কৰা, দলীয় ৰাজনীতিৰ

বিৰোধিতা কৰা, অৰ্থনৈতিক আঁচনী প্ৰস্তত কৰা কৰা আৰু গনতান্ত্ৰিক ভাৱধাৰা জনসাধাৰনৰ মাজত সৃস্টি কৰা ইত্যাদি।

**সমালোচনা (Criticism)**

1. **ত্ৰুটিপূৰ্ণ অৰ্থনৈতিক নীতি**: **(Defective Economic Policy) :** গান্ধীজী মুলতে এজন অৰ্থনীতিবিদ নাছিল। কেৱল ইংৰাজ সকলৰ বিৰোদ্দে স্বাধিনতা সংগ্ৰাম চলাই নিয়াৰ মানসিকতাৰে তেওঁ কিছুমান অৰ্থনৈতিক ভাৱধাৰাৰ সৃস্টি কৰিছিল। বৰ্তমান সময়ৰ গোলকীয় অৰ্থনীতিৰ প্ৰেক্ষাপটত গান্ধীজীৰ অৰ্থনৈতিক চিন্তাধাৰা গ্ৰহন যোগ্য নহয়।

2. **অস্পষ্ট ধাৰনা (Vague Ideas) :** গান্ধীজীয়ে আগবঢ়োৱা ৰাস্ট্ৰ সম্পৰ্কে ধাৰনা আছিল অস্পষ্ট। এহাতে তেওঁ ৰাস্ট্ৰ অৱস্হিতি কামনা কৰা নাছিল অন্যহাতে ব্যক্তিৰ সামাজিক আৰু অৰ্থনৈতিক কল্যান ৰাস্ট্ৰৰ মাধ্যমেৰে কৰিব বিচাৰিছল।

3. **অহিংসা নীতিৰ সীমাবদ্বতা (Limitation of Non-violence Preamble):** মানৱ প্ৰকিতি একে নহয়, প্ৰত্যেক মানুহৰ জীৱন পদ্বতি আৰু চিন্তাধাৰা ও বেলেগ বেলেগ হয়। সেইসে সকলো ব্যক্তি সামান ভাৱে অহিংসা নীতি অনুসৰন কৰিব নোৱাৰে। মানুহৰ স্বভাৱজনিত কাৰনত সমাজত বিভিন্ন ধৰনৰ অপৰাধ হোৱাটো স্বাভাৱিক। সমাজৰ পৰা অপৰাধ সমুহ নিৰ্মুল কৰাৰ বাবে ৰাস্ট্ৰই সময় সাপেক্ষে শক্তি বা হিংসাৰ আশ্ৰয় লোৱা প্ৰয়োজন হৈ পৰে।

4. **ধৰ্মৰ লগত ৰাজনীতিৰ সংমিশ্ৰন গ্ৰহন যোগ্য নহয় (Blending of Religion with Politics is not acceptable):** গান্ধীজীয়ে ধৰ্ম আৰু ৰাজনীতি একাকাৰ কৰিব বিচাৰিছিল। কিন্ত, বৰ্তমান পৰিপ্ৰক্ষিতত ধৰ্ম আৰু ৰাজনীতি যদি একাকাৰ কৰা হয়। তেন্তে সাম্প্ৰদায়িকতাবাদে গা–কৰি উঠাৰ সম্বাৱনা অধিক। ইয়াৰ ফলত ভাৰতৰ ঐক্য, সম্প্ৰতি আৰু ধৰ্মনিৰপ্ৰেক্ষতাৰ প্ৰতি এক ভাবুকিৰ সৃস্টি হোৱাটো নিশ্চত।

5. **কৰ ব্যৱস্হা বৈজ্ঞানিক নহয় :(Tax System is not Scientific):** অৰ্থনৈতিক উন্নয়নৰ বাবে অৰ্থনৈতিক পৰিকল্পনা আচঁনীৰ প্ৰয়োজন। অৰ্থনৈতিক পৰিকল্পনা বাস্তৱায়তি কৰিবৰ বাবে অৰ্থৰ প্ৰয়োজন। আৰু অৰ্থ আহৰনৰ বাবে উপযুক্ত কৰ ব্যৱস্হাৰ প্ৰয়োজন। কিন্ত , গান্ধীজীয়ে অৰ্থনৈতিক পৰিকল্পনাৰ বাবে অৰ্থ আহৰনৰ পৰিবৰ্তে শাৰীৰিক শ্ৰমৰ মাধ্যমেৰে কৰ আদয়ৰ পোষকতা কৰিছিল। গান্ধীজীৰ এই ধাৰনা আছিল অ-বৈজ্ঞানীক আৰু সেইসে ইয়াক বাস্তৱত কাৰ্য্যকৰি আছিল সম্পূৰ্ণ অসম্বৱ।

6. **সত্যাগ্ৰহৰ নীতি সমুহ যথেষ্ট কঠিন (The Principles of Satygrah are very tough) :** গান্ধীজীয়ে সত্যাগ্ৰহ নীতি প্ৰয়োগ কৰিছিল কতৃপক্ষক ক্ষমতাৰ অপব্যৱহাৰৰ কৰাৰ পৰা বিৰত ৰাখিবলৈ। কিন্ত, গান্ধীজীৰ সত্যাগ্ৰহৰ নীতি সমুহ সাধাৰনতে সকলো ব্যক্তিৰ পালন কৰা সহজ সাধ্য নহয়।

7. **পৰস্পৰ বিৰোধী (Self Contradictory):** গান্ধীজীৰ ৰাস্ট্ৰ সম্পৰ্কে ধাৰনা সমুহ পৰস্পৰ বিৰোধী। এহাতে তেওঁ সমাজবাদী সমাজ ব্যৱস্হাৰ পোষকতা কৰিছিল আৰু অন্যহাতে বিশাল উদ্দোগ প্ৰতিস্ঠা আৰু ৰাস্ট্ৰীয়কৰনৰ বিৰোধীতা কৰিছিল। গতিকে তেওঁৰ সমাজবাদী ধাৰনা সমুহ আছিল সম্পূৰ্ণ পৰস্পৰ বিৰোধী।

8. **কাল্পনিক ধাৰনা (Utopian Ideas):** প্লেটোৰ ধাৰনাৰ দৰে গান্ধীজীৰ ৰাস্ট্ৰ সম্পৰ্কে ধাৰনা সমুহ ও আছিল কাল্পনিক। তেওঁ নিজৰ চিন্তাধাৰাত ৰাম ৰাজ্যৰ কথা উল্লেখ কৰিছে। কিন্ত, বাস্তৱ ক্ষেত্ৰত তেনেকোৱা ৰাস্ট্ৰ প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়। ৰাম ৰাজ্যত হিংসাৰ কোনো স্হান নাই। আধুনিক ৰাস্ট্ৰ ব্যৱস্হা পৰিচালনা কৰিবলৈ হলে ৰাস্ট্ৰই আইন শৃংখলাৰ নামত নাইবা ৰাস্ট্ৰক বাহিৰা শত্ৰুৰ আক্ৰমনৰ পৰা ৰক্ষা কৰিবলৈ শক্তি প্ৰয়োগ কৰিব লাগিব। সেইসে সম্পূৰ্ণ অহিংসা নীতিৰ ওপৰত ওপৰত ভিত্তি কৰি ৰাস্ট্ৰ প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়।

## সামৰণী

ওপৰৰ আলোচনা পৰা এইটো সহজে অনুমেয় যে বৰ্তমান প্ৰেক্ষাপটত গান্ধীজীৰ ৰাস্ট্ৰ সম্পৰ্কে ধাৰনা সমুহৰ বহু ক্ষেত্ৰত কোনো যুক্তিযুক্তা পৰিলক্ষিত নহয় আৰু সেইসে বহু দৃস্টিকোনৰ পৰা ইয়াক সমালোচনা কৰা হৈছে। কিন্ত, বাস্তৱ ক্ষেত্ৰত দেখা যায় যে গান্ধীজীৰ ধাৰনা সমুহে কেৱল ভাৰতবৰ্ষৰ সামাজিক, ৰাজনৈতিক আাৰু অৰ্থনৈতিক ক্ষেত্ৰত বিশেষ প্ৰভাৱ বিস্তাৰ কৰা নাই, আন্তৰ্জাতিক ক্ষেত্ৰতও ই এক সকাৰাত্মক দিশৰ সুঁচনা কৰিছে। গান্ধীজীৰ অহিংস নীতিৰ গুৰুত্ব উপলব্দি কৰি ৰাস্ট্ৰসংঘই তেওঁৰ জন্ম দিনটোক অহিংসা্ দিৱস (Non-violence Day) হিচাপে পালন কৰাৰ বাবে ঘোষণা প্ৰদান কৰিছে।।